এখন দলঙৰ বাবে হাহাকাৰ ৰাইজৰ

CORRIGENDUM

Please read the corrigendum for the post of Grade-IV, against Roster Point No.09 (EWS) published in The Assam Tribune and The Dainik Janambhumi on 21/12/2022, the post will be treated as an Open Category Post (UR) instead of UR (EWS) as per Personnel (B) Department Govt. of Assam and Memo No.ABP.129/2018/170, Dated Dispur, the 21st December, 2022. Other terms and eligibility criteria will remain unchanged. Applications must reach the undersigned within 15 days from the date of publication of this corrigendum along with a demand draft (Non-refundable) of Rs.800/- (Rupees eight hundred) only in favour of Principal & Secretary, Sarupathar College, Sarupathar payable at SBI Sarupathar. The applicants who have already applied earlier need not apply. For details the applicants may visit the college website **www.sarupatharcollege.ac.in**

Sd/-
Principal
Sarupathar College
Sarupathar, Golaghat, Assam
PIN-785601

অৰূপজ্যোতি শইকীয়াৰ সম্পাদনাত প্ৰকাশ পোৱা [illegible] 'ভক্তি ৰূপাঞ্জল' উন্মোচন কৰে ঢেকীয়াখোৱা বৰনামঘৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰবীণ কলিতাই। ৫ ফেব্ৰুৱাৰীত ভাগৱত পাঠৰ সামৰণী অনুষ্ঠানত মন্ত্ৰী, সাংসদ, বিধায়ক প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। সপ্তদিন সপ্তৰাতিৰ উক্ত কাৰ্যসূচীত ভক্তিপ্ৰাণ ৰাইজৰ সহযোগিতা আঞ্চলিক সমিতিৰ হৈ সম্পাদক ভদ্ৰেশ্বৰ বৰগোহাঁয়ে কামনা কৰিছে।

ভাৰতী গোস্বামীৰ মৃত্যু

মাৰ্ঘেৰিটা, নিজা প্ৰতিবেদক, ৩ ফেব্ৰুৱাৰী ঃ ২৭ জানুৱাৰী, শুকুৰবাৰে মাৰ্ঘেৰিটাৰ মাকুমপথাৰৰ নিজা বাসভৱনত প্ৰয়াত গকুল গোস্বামীৰ পত্নী ভাৰতী গোস্বামীৰ (৭২) আকস্মিক মৃত্যু হয়। তেওঁ দুজন পুত্ৰ, বোৱাৰী আৰু নাতিৰে সৈতে পৰিয়ালৰ বহু আত্মীয়ক এৰি গৈছে। বিভিন্ন সৃষ্টিশীল কামত সদাব্যস্ত ,অতি অমায়িক, স্নেহশীলা, সৰবৰহী মহিলাগৰাকীৰ মৃত্যুত মাৰ্ঘেৰিটা অঞ্চলত শোকৰ ছাঁ পৰিছে।

BCL
BARUA CLINICAL LABORATORY
LABORATORY WING OF SANJIVANI HOSPITAL
The only ISO - 9001 : 2015 Certified Laboratory in Jorhat
FREE home collection call-
Mobile No. 7086009099
SUNDAY OPEN

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্তই শুকুৰবাৰে প্ৰধানমন্ত্ৰী টিবি মুক্ত ভাৰত অভিযানৰ অধীনৰ নিক্ষয় মিত্ৰ অভিযানৰ অংশৰূপে চাৰিজন যক্ষ্মা ৰোগীৰ দায়িত্ব গ্ৰহণ কৰে। ইয়াৰ বাবে তেওঁ এন এইচ এম অসমৰ কাৰ্যবাহী সঞ্চালক ডাঃ মনোজ কুমাৰ চৌধুৰী আৰু বিশ্ব স্বাস্থ্য সংস্থাৰ পৰামৰ্শদাতা ডাঃ পলাশ তালুকাদৰৰ উপস্থিতিত মিছন সঞ্চালক ডাঃ এম এছ লক্ষ্মী [illegible] সাহায্য প্ৰদান কৰে।

চেষ্টা কৰাৰ ফলত আজি সকলোৰে মুখত হাঁহি বিৰিঙি উঠিছে। উল্লেখযোগ্য যে পূৰ্বৰ মালিক পক্ষই শ্ৰমিক-কৰ্মচাৰীৰ পৰা কৰ্তন কৰা ধনৰাশি (প্ৰায় ৫ কোটি টকা) পি এফক জমা নিদিয়াৰ বাবে মদাৰখাত টী কোম্পানী প্ৰাঃ লিমিটেডৰ ৩খন চাহ বাগিচা পি এফে চৰকাৰৰ সহযোগত প্ৰায় দেৰবছৰ পূৰ্বে অধিগ্ৰহণ কৰিছিল। উক্ত বাগিচা ৩খন ই-নিলামৰ ব্যৱস্থা কৰিছিল

[illegible]

গুৱাহাটী, ৩ ফেব্ৰুৱাৰী ঃ সদ্য ঘোষিত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হৈ যোৱা অলিম্পিয়াডৰ ইংৰাজী বিষয়ৰ পৰীক্ষাত বি ডি মৃদু মৌচম পাঠকে অসমৰ ভিতৰত চতুৰ্থ, উত্তৰ-পূব ভাৰতৰ ভিতৰত ৭৪ আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ১৭৪ স্থান অধিকাৰ কৰি জন্মস্থান ৰঙিয়াৰ লগতে ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। সম্প্ৰতি ৰঙিয়াৰ চাৰ্চ পাব্লিক স্কুলৰ ষষ্ঠ শ্ৰেণীত অধ্যয়নৰত মৃদু মৌচম কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা ডিম্বেশ্বৰ পাঠক আৰু চাৰ্চ পাব্লিক স্কুলৰ শিক্ষয়িত্ৰী ৰবিতা তালুকদাৰ পাঠকৰ সন্তান। ইয়াৰ উপৰি মৃদু মৌচমে বিগত বৰ্ষবোৰতো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা অৰ্জন কৰি বঁটা লাভ কৰিছে। এই সাফল্যত তেওঁৰ অধ্যয়নৰত বিদ্যালয়ৰ লগতে অঞ্চলবাসীয়ে শুভেচ্ছা জ্ঞাপন কৰে।

পাবলগীয়া এখন স্মৃতিগ্ৰন্থৰ বা[illegible] বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষাৰ্থীসক[illegible] অহা ১০ মাৰ্চৰ [illegible] marangidinanathhss[illegible] gmail.com যোগে সম্পা[illegible] ঠিকনাত পাব পৰাকৈ লেখা প[illegible] আহ্বান জনাইছে। লগতে [illegible] শিক্ষাৰ্থীসকলক পঞ্জীয়নৰ [illegible] বিভাগীয় সম্পা[illegible] ৭০০২৮৮৭১[illegible] ৮৮৭৬৬৪৫৯৭৪, ৮৬৩৮৫[illegible] নম্বৰত যোগাযোগ কৰিবলৈ [illegible] জনাইছে আয়োজক সমিতি[illegible]

কৃষিভূমিত কয়লা মজুতকৰণ সন্দৰ্ভত গাঁওবাসীৰ ক্ষে[illegible]

সোণাৰি ঃ নিজা প্ৰতিবেদক, ৩ ফেব্ৰুৱাৰী ঃ বিগত সময়ছোৱাত চৰাইদেউ জিলাত নগালেণ্ডৰ কয়লা সৰবৰাহ আৰু মজুতকৰণ বিষয়টোৱে নানা প্ৰতিক্ৰিয়া সৃষ্টি কৰি অহাৰ পাছত শেহতীয়াকৈ জিলাখনৰ সোণাৰি ৰাজহ চক্ৰৰ অন্তৰ্গত ভজো গাঁও পঞ্চায়তৰ একাধিক স্থানত কয়লা মজুত কৰা বিষয়টোত আপত্তি দৰ্শাই একাধিক সংগঠনে আজি চৰাইদেউ জিলাৰ উপায়ুক্তক এক যৌথ স্মাৰক পত্ৰ প্ৰদান কৰে। পত্ৰখনত উল্লেখ কৰা হৈছে যে স্থানীয় টীয়ক বঙালী গাঁৱৰ ৪ নং বাৰ্ডৰ কৃষিভূমিত, শিঙৰাজান চাহ বাগিচাৰ কলঘৰ চৌহদৰ ভিতৰত আৰু ভজো ৰে'ল ক্ৰছিঙৰ কাষত বৃহৎ পৰিমাণৰ কয়লা মজুত কৰা হৈছে। ইয়াৰ বাবে স্থানীয় সচেতন ৰাইজ চিন্তিত হৈ পৰিছে। কাৰণ খেতি পথাৰৰ ভূমিৰ ওপৰত এনেদৰে কয়লা মজুত কৰাৰ বাবে ইয়াৰ নিগৰিত পানীয়ে কৃষি ভূমি নষ্ট কৰাৰ লগতে ভূমিভাগ খেতিৰ অনুপযোগী হৈ পৰিব বুলি উল্লেখ কৰা হৈছে। ইফালে কয়লা মজুত কৰিবৰ বাবে ১৬ চকীয়া বাহনৰ পৰা ২২ চকীয়া বৃহৎ আকাৰ বাহনসমূহত অধিক বোজাৰে কয়লা পৰিবহণ কৰাৰ বাবে টীয়ক বঙালী গাঁৱৰ পথটো অতি কম দিনৰ ভিতৰতে নষ্ট হৈ যোৱাৰ সম্ভাৱনাই দেখা দিছে বুলি স্মাৰক-পত্ৰখনত উল্লেখ কৰা হৈছে। একেদৰে ৰে'ল ক্ৰছিঙৰ কাষত মজুত হৈ থকা কয়লাসমূহ দিচাং নদীৰ [illegible] ১০০ মিটাৰ দূৰত্বত থকা বাবে ইয়াৰ বিষাক্ত পা[illegible] হৈ মৎস্যকুল ধ্বংসৰ লগতে নদীৰ পানী বিষাক্ত ক[illegible] প্ৰবল সম্ভাৱনাই দেখা দিছে। ইয়াৰ উপৰি পথ[illegible] ঠেক হোৱাৰ বাবে কয়লা পৰিবাহী বাহনসমূহে [illegible] অহা-যোৱা কৰাৰ বাবে যান-জঁট সৃষ্টি হৈ [illegible] জীয়াতু ভোগাইছে। একেদৰে ভজো শিঙৰাজা[illegible] পথছোৱাত নানা সমস্যা সৃষ্টি হৈছে আৰু পথ[illegible] হোৱাৰ সম্ভাৱনাই দেখা দিছে। জধে-মধে কয়লা [illegible] বৈধতাৰ ওপৰত স্থানীয় ৰাইজে সন্দেহ প্ৰক[illegible] এনেদৰে জনবসতিপূৰ্ণ এলেকাত কয়লা মজু[illegible] ইয়াৰ বাবে কেনেকৈ আপত্তিবিহীন প্ৰমাণ প[illegible] তাকে লৈ ৰাইজে সন্দেহ কৰাৰ লগতে বিষয়[illegible] হৈ পৰিছে বুলি স্মাৰক-পত্ৰখনত উল্লেখ কৰ[illegible] সমগ্ৰ প্ৰক্ৰিয়াটোৰ সৈতে জড়িত প্ৰাথমিক [illegible] চূড়ান্ত পৰ্যায়লৈকে নীতিগত আৰু বিধিসম্ম[illegible] মজুতকৰণৰ বাবে মানি চলিবলগীয়া নীতি [illegible] ৰাইজৰ স্বাৰ্থত ব্যৱস্থা গ্ৰহণ কৰিবলৈ উ[illegible] আহ্বান জনোৱা হৈছে। উল্লেখযোগ্য যে [illegible] প্ৰতিলিপি মুখ্যমন্ত্ৰীলৈকো প্ৰেৰণ কৰা হৈছে

SBI
ভাৰতীয় ষ্টেট বেংক
প্ৰশাসনিক কাৰ্যালয়, যোৰহাট
লুইত ভেলী একাডেমীৰ বিপৰীতে, টি. আৰ. ফুকন পথ, যোৰহাট-৭৮৫০০১(অসম)
নিবিদা আহ্বানৰ জাননী(এন আই টি)